**30T EDUC**

# 2020

# EDUCATION

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×12 = 12 |
| *Q. No.* **2 – 13** *carry* **2** *marks each* | 2×12 = 24 |
| *Q. No.* **14 – 23** *carry* **4** *marks each* | 4×10 = 40 |
| *Q. No.* **24 – 27** *carry* **6** *marks each* | 6×4 = 24 |
| | Total = 100 |

*Contd.*

1. Answer the following questions : 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

*Fill in the blanks :*

*খালী ঠাই পূৰ কৰা ঃ*

(a) The Indira Gandhi National Open University was established in ________ .

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় ________ চনত প্ৰতিষ্ঠা কৰা হৈছিল।

(b) The name of the first secondary school of Assam is ________ .

অসমৰ প্ৰথম মাধ্যমিক বিদ্যালয়খনৰ নাম ________ ।

(c) The concept of 'Population Education' was developed by the American Sociologist ________ .

জনসংখ্যা শিক্ষাৰ ধাৰণাটো আমেৰিকাৰ সমাজতত্ত্ববিদ ________ য়ে দাঙি ধৰিছিল।

(d) Gestalt is a ________ word which means 'whole' or 'total pattern'.

গেষ্টাল্ট এটা ________ শব্দ যাৰ অৰ্থ হৈছে 'সমগ্ৰ' বা 'সম্পূৰ্ণ আকাৰ'।

(e) The attention which is paid by an individual without any outside interference or force is known as ________ attention.

কোনো এজন ব্যক্তিয়ে আনৰ হস্তক্ষেপ নোহোৱাকৈ ইচ্ছাকৃতভাৱে পৰিবেশৰ কোনো বস্তু বা বিষয়লৈ প্ৰদান কৰা মনোযোগক ________ মনোযোগ বোলা হয়।

(f) In a polygon, frequencies are plotted on ________ .

বহুভুজ অংকণ কৰোঁতে বাৰংবাৰতাৰ মান সমূহ শ্ৰেণীঅন্তৰালৰ ________ ৰ ওপৰত সংস্থাপন কৰা হয়।

- *Give short answer in* ***one*** *sentence :*

  *এটা বাক্যত উত্তৰ দিয়া ঃ*

(g) Which Education Commission suggested the 10+2+3 structure of education ?

কোনখন শিক্ষা আয়োগ 10+2+3 শিক্ষা গাঁথনিৰ পৰামৰ্শ আগবঢ়াইছিল?

(h) Who first introduced the concept of Correspondence Education system ?

পত্ৰ বা ডাকযোগে শিক্ষাৰ ধাৰণাটো কোনে প্ৰথমে প্ৰচলন কৰিছিল?

(i) Write the name of the first Open University in India.

ভাৰতবৰ্ষৰ প্ৰথমখন মুক্ত বিশ্ববিদ্যালয়ৰ নাম লিখা।

(j) What is logical memory ?

যুক্তিপূৰ্ণ স্মৃতি বা যৌক্তিক স্মৃতি কাক বোলে?

(k) "Interest is latent attention and attention is interest in action." Who said this statement ?

"আগ্ৰহ মনোযোগৰ সুপ্ত অৱস্থা আৰু মনোযোগ আগ্ৰহৰ সক্ৰিয় অৱস্থা মাথোন।" এই উক্তিযাৰ কোনে কৈছিল?

(l) Write the formula for finding out third quartile from group data.

সমূহিত ৰাশিৰ পৰা তৃতীয় চতুৰ্থক নিৰ্ণয় কৰা সূত্ৰটো লিখা।

2. Write *two* aims of secondary education recommended by Secondary Education Commission of 1952-53. 2

মাধ্যমিক শিক্ষাৰ লক্ষ্য সম্পৰ্কে ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে আগবঢ়োৱা *দুটা* পৰামৰ্শৰ বিষয়ে লিখা।

3. Write *two* importance of vocationalisation of secondary education. 2

মাধ্যমিক শিক্ষাক বৃত্তিমুখীকৰণৰ *দুটা* প্ৰয়োজনীয়তা উল্লেখ কৰা।

4. Mention *two* salient features of Non-formal Education. 2

অগতানুগতিক শিক্ষাৰ *দুটা* প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

5. Why distance education is important for the present society ? 2

বৰ্তমান সমাজৰ বাবে দূৰশিক্ষা কিয় গুৰুত্বপূৰ্ণ?

6. 'Physical education leads to a healthy life.' Give *two* reasons. 2

'শাৰীৰিক শিক্ষাই এটা সুস্থ জীৱনৰ বাট দেখুৱায়' — *দুটা* যুক্তি দিয়া।

7. Write *two* importance of women empowerment. 2

মহিলা সাবলীকৰণৰ *দুটা* প্ৰয়োজনীয়তা উল্লেখ কৰা।

8. Write *two* subjective factors of learning. 2

শিক্ষাৰ *দুটা* বস্তুনিষ্ঠ বা আভ্যন্তৰীণ চৰ্ত লিখা।

9. Write briefly the *two* types of law of exercise in learning. 2

শিক্ষণৰ *দুই* প্ৰকাৰৰ অনুশীলন নীতিৰ বিষয়ে চমুকৈ লিখা।

10. Write *two* marks of good memory. 2

ভাল স্মৃতিৰ *দুটা* লক্ষণৰ বিষয়ে লিখা।

11. Mention *two* points showing the relationship between education and mental hygiene. 2

শিক্ষা আৰু মানসিক স্বাস্থ্য বিজ্ঞানৰ সম্পৰ্ক দেখুৱাই *দুটা* দিশ উল্লেখ কৰা।

12. Mention *two* importance of statistics in education. 2

শিক্ষাত পৰিসংখ্যাবিজ্ঞানৰ *দুটা* গুৰুত্ব উল্লেখ কৰা।

13. Find the mean and median from the following data : 1+1=2

তলত দিয়া তথ্যসমূহৰ পৰা গড় আৰু মধ্যমা নিৰ্ণয় কৰা ঃ

42, 28, 34, 52, 65, 71, 50, 56

14. Write briefly the suggestions given by Kothari Commission regarding structure of secondary education. 4

মাধ্যমিক শিক্ষাৰ সংগঠন সম্পৰ্কে কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শ সমূহ চমুকৈ লিখা।

15. Write *four* provisions of the Secondary Education Act of Assam (1961). 4

অসম মাধ্যমিক শিক্ষা আইনত (1961) উল্লেখ কৰা *চাৰিটা* প্ৰস্তাৱৰ বিষয়ে লিখা।

16. Discuss *four* merits of Open Education. 4

মুক্ত শিক্ষাৰ *চাৰিটা* সুবিধা আলোচনা কৰা।

17. What is Environmental Education ? Write *three* principles of Environmental Education. 1+3=4

পৰিবেশ শিক্ষা কাক বোলে? পৰিবেশ শিক্ষাৰ *তিনিটা* নীতি উল্লেখ কৰা।

18. Discuss *four* characteristics of learning. 4

শিক্ষণৰ *চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

19. Discuss the *four* stages involved in the process of memory. 4

স্মৃতি প্ৰক্ৰিয়াৰ লগত জড়িত *চাৰিটা* পৰ্যায় বা স্তৰৰ বিষয়ে আলোচনা কৰা।

20. Discuss *four* characteristics of a mentally healthy person. 4

মানসিকভাৱে স্বাস্থ্যবান লোক এজনৰ থাকিবলগীয়া *চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

21. Discuss the role of school in promoting proper mental health of students. 4

শিক্ষাৰ্থীৰ উপযুক্ত মানসিক স্বাস্থ্যৰ বিকাশত বিদ্যালয়ৰ ভূমিকা আলোচনা কৰা।

*Or / অথবা*

"A mentally healthy person is also in need of mental hygiene." Give reasons. 4

"এজন মানসিক ভাৱে সুস্থ ব্যক্তিৰো মানসিক স্বাস্থ্যবিজ্ঞান প্ৰয়োজন"। কাৰণ দৰ্শোৱা।

22. What is histogram? Draw a histogram from the following distribution table : (Use graph paper) 1+3=4

আয়ত চিত্ৰ কাক বোলে? তলত দিয়া তালিকাৰ তথ্যসমূহৰ পৰা আয়ত চিত্ৰ অংকণ কৰা : (লেখ কাগজ ব্যৱহাৰ কৰিবা)

| **Class Interval** (শ্ৰেণী-অন্তৰাল) | **Frequency** (বাৰংবাৰতা) |
|---|---|
| 80 – 89 | 2 |
| 70 – 79 | 4 |
| 60 – 69 | 5 |
| 50 – 59 | 8 |
| 40 – 49 | 12 |
| 30 – 39 | 7 |
| 20 – 29 | 6 |
| 10 – 19 | 4 |
| 0 – 9 | 2 |

*Or / অথবা*

What is a Bar Diagram ? Discuss the different types of Bar Diagram with examples. 1+3=4

দণ্ড বা স্তম্ভ চিত্ৰ কাক বোলে? স্তম্ভ চিত্ৰৰ বিভিন্ন প্ৰকাৰসমূহ উদাহৰণৰ সৈতে আলোচনা কৰা।

23. What is Quartile Deviation ? Write *three* advantages of measure of Quartile Deviation. 1+3=4

চতুৰ্থক বিচ্যুতি কাক বোলে? চতুৰ্থক বিচ্যুতি পৰিমাপনৰ *তিনিটা* সুবিধা লিখা।

24. What is Population Education ? Suggest *four* measures for imparting Population Education in educational institution. 2+4=6

জনসংখ্যা শিক্ষা কাক বোলে? শিক্ষানুষ্ঠানত জনসংখ্যা শিক্ষা প্ৰদানৰ বাবে *চাৰিটা* পৰামৰ্শ আগবঢ়োৱা।

*Or / অথবা*

What is Value Education ? Discuss the need and importance of Value Education. 2+4=6

মূল্যবোধ শিক্ষা কি? মূল্যবোধ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰা।

25. What is meant by insightful method of learning ? Write the educational significance of insightful method of learning. 2+4=6

শিক্ষণৰ অন্তৰ্দৰ্শন পদ্ধতি বুলিলে কি বুজা? শিক্ষণৰ অন্তৰ্দৰ্শন পদ্ধতিৰ শৈক্ষিক তাৎপৰ্যৰ বিষয়ে লিখা।

*Or / অথবা*

What do you mean by Learning by Conditioning ? Write *four* educational implications of conditioning method of learning. 2+4=6

অনুবন্ধনৰ দ্বাৰা শিক্ষণ বুলিলে তুমি কি বুজা? শিক্ষণৰ অনুবন্ধন পদ্ধতিৰ *চাৰিটা* শিক্ষামূলক প্ৰয়োগিকতা উল্লেখ কৰা।

26. What is forgetting ? Discuss *four* physical causes of forgetting. 2+4=6

বিস্মৃতি কাক বোলে? বিস্মৃতিৰ *চাৰিটা* শাৰীৰিক বা দৈহিক কাৰণ বৰ্ণনা কৰা।

*Or* / *অথবা*

What is Attention ? Discuss the importance of Attention and Interest in education. 2+4=6

মনোযোগ কাক বোলে? শিক্ষাক্ষেত্ৰত মনোযোগ আৰু আগ্ৰহৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

27. What is Median ? Compute Median from the following distribution table : 1+5=6

মধ্যমা কাক বোলে? তলত দিয়া বিভাজন তালিকাৰ পৰা মধ্যমা নিৰ্ণয় কৰা ঃ

| **Class-Interval** (শ্ৰেণী-অন্তৰাল) | **Frequency** (বাৰংবাৰতা) |
|---|---|
| 60–64 | 2 |
| 55–59 | 4 |
| 50–54 | 5 |
| 45–49 | 8 |
| 40–44 | 10 |
| 35–39 | 12 |
| 30–34 | 8 |
| 25–29 | 5 |
| 20–24 | 2 |
| 15–19 | 2 |
| 10–14 | 2 |
| | $N = 60$ |

———×———